# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 17-12-2025
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ভাৰত আৰু ইথিঅ'পিয়াই এখন সমভাৱাপন্ন আৰু শান্তিপূৰ্ণ বিশ্বৰ হকে কাম কৰা পৰিয়ালৰ সদস্য হিচাপে একেলগে থিয় দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ৰাজ্যসভাত আজি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে **সবকা বীমা সবকী ৰক্ষা** বীমা আইন সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰে।

৩। ভাৰত আৰু আৰ্জেণ্টিনাই দ্বিপাক্ষিক কৃষি গৱেষণা আৰু প্ৰযুক্তি বিনিময় বৃদ্ধিৰ বাবে ২০২৫-২৭ কাৰ্য আঁচনিত স্বাক্ষৰ কৰে।

৪। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ সৈতে সম্পৰ্কিত কোনো ধৰণৰ তথ্যপাতি হেৰুওৱা নাই বুলি কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল ঘন কুঁৱলীৰ বাবে বিলম্ব হৈছে।

০০০০০

ভাৰত আৰু ইথিঅ'পিয়াই এখন সমভাৱাপন্ন আৰু শান্তিপূৰ্ণ বিশ্বৰ হকে কাম কৰা পৰিয়ালৰ সদস্য হিচাপে একেলগে থিয় দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আজি ইথিঅ'পিয়াৰ সংসদৰ যুটীয়া অধিৱেশনত ভাষণ দি এইদৰে প্ৰকাশ কৰে। গোলকীয় দক্ষিণ অৰ্থাৎ অৰ্থনৈতিকভাৱে পিছপৰা ৰাষ্ট্ৰসমূহৰ আকাংক্ষাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে গোলকীয় দক্ষিণৰ দেশসমূহে নিজৰ ভাগ্য নিজেই লিখিছে আৰু ভাৰত আৰু ইথিঅ'পিয়াই এই দৰ্শনৰ দিশত অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে দুয়োখন দেশৰ মাজৰ দীৰ্ঘদিনীয়া সহযোগিতাক আলোকপাত কৰি কয় যে বিগত ১১ বছৰত তেওঁৰ চৰকাৰে এই সম্পৰ্কক সুদৃঢ় কৰিছে। শ্ৰীমোদীয়ে কয় যে ভাৰতৰ জাতীয় গীত বন্দে মাতৰম আৰু ইথিঅ'পিয়াৰ ৰাষ্ট্ৰীয় সংগীত উভয়ে দেশভূমিক মাতৃ হিচাপে গণ্য কৰে। এই গীত দুটাই আমাক নিজৰ ঐতিহ্য, সংস্কৃতি, সৌন্দৰ্যক লৈ গৌৰৱ কৰিবলৈ আৰু মাতৃভূমিক সুৰক্ষা প্ৰদান কৰিবলৈ অনুপ্ৰাণিত কৰে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ আজি ইথিঅ'পিয়া ভ্ৰমণ সামৰি ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত ওমান অভিমুখে ৰাওনা হৈছে।

দেশখনৰ সংসদৰ যুটীয়া অধিৱেশনত ভাষণ দিয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে আজি ৰাজধানী অডিছ আবাবাত থকা আদৱা বিজয় স্মাৰকত মাল্যাৰ্পণ কৰে। শ্ৰীমোদীয়ে ইথিঅ'পিয়াৰ প্ৰধানমন্ত্ৰী অবি আহমেদ আলীৰ সৈতেও বিভিন্ন বিষয় লৈ বিশদভাৱে আলোচনা কৰে। এই আলোচনাত দ্বিপাক্ষিক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহে স্থান লাভ কৰে। দুয়োপক্ষই লগতে উভয় দেশৰ মাজৰ সম্পৰ্কক কৌশলগত সহযোগিতালৈ উন্নীত কৰা, সীমা শুল্ক সহযোগিতা, ইথিঅ'পিয়াৰ বিদেশ মন্ত্ৰালয়ত তথ্য কেন্দ্ৰ স্থাপন, ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষা প্ৰশিক্ষণ সহযোগিতা, জি-২০ৰ অধীনত ঋণ পুনৰগঠন, আই চি চি আৰ জলপানি আৰু ইথিঅ'পিয়াৰ জনসাধাৰণৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা পাঠ্যক্ৰমসহ ৮খন চুক্তিত স্বাক্ষৰ কৰে।

০০০০০

ৰাজ্যসভাত আজি **সবকা বীমা সবকী ৰক্ষা** বীমা আইন সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰা হয়। এই বিধেয়কখনৰ জৰিয়তে বীমা আইন ১৯৩৮, জীৱন বীমা নিগম আইন ১৯৫৬ আৰু বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন প্ৰাধিকৰণ আইন ১৯৯৯ৰ সংশোধন কৰিব বিচৰা হৈছে। বিধেয়কখনে ভাৰতীয় বীমা কোম্পানীসমূহৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ সীমা ইকুইটি মূলধনৰ ৭৪ শতাংশৰ পৰা ১০০ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। এই বিধেয়কখনৰ জৰিয়তে বীমা খণ্ডৰ বিকাশ আৰু উন্নয়ন তথা বীমা থকা লোকসকলৰ অধিক সুৰক্ষা সুনিশ্চিত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। বিত্ত মন্ত্ৰী নিৰ্মলা

সীতাৰমনে আজি ৰাজ্যসভাত এই বিধেয়কখন উত্থাপন কৰে। বিধেয়কখন সন্দৰ্ভত আলোচনা আৰম্ভ কৰি কংগ্ৰেছৰ সাংসদ শক্তিসিং গোহিলে চৰকাৰে বিধেয়কখন খৰধৰকৈ উত্থাপন কৰাৰ অভিযোগ তোলে। তেওঁ কয় যে কংগ্ৰেছ কেতিয়াও প্ৰগতিৰ বিৰুদ্ধে নহয়, কিন্তু তেওঁলোকে জনসাধাৰণৰ গুৰুত্বক অগ্ৰাধিকাৰ দিয়ে। বিধেয়কখনৰ বিৰোধিতা কৰি শ্ৰীগোহিলে কয় যে তেওঁৰ দলে ব্যক্তিগত কোম্পানীৰ লাভৰ বাবে সমৰ্থন নিদিয়ে। আলোচনাত ভাগ লৈ বিজেপিৰ সাংসদ অৰুণ সিঙে কয় যে এই বিধেয়কখনে প্ৰতিজন লোকে বীমা লাভ কৰাটো সুনিশ্চিত কৰিব। ইয়াৰ জৰিয়তে বীমা কোম্পানীসমূহৰ কাম আৰু দক্ষতা বৃদ্ধি পাব বুলিও সাংসদগৰাকীয়ে উল্লেখ কৰে।

০০০০০

ভাৰত আৰু আৰ্জেণ্টিনাই দ্বিপাক্ষিক কৃষি গৱেষণা আৰু প্ৰযুক্তি বিনিময় বৃদ্ধিৰ বাবে আজি নতুন দিল্লীত ২০২৫-২৭ কাৰ্য আঁচনিত স্বাক্ষৰ কৰে। ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰীয় কৃষি প্ৰযুক্তি প্ৰতিষ্ঠানৰ মাজত স্বাক্ষৰিত এই কাৰ্য আঁচনিৰ জৰিয়তে প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা, বহনক্ষম কৃষি অৰ্থনীতিৰ বিভিন্ন দিশত সহযোগিতা স্থাপন কৰা হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা মতে ভাৰত আৰু আৰ্জেণ্টিনাৰ মাজত তৈল বীজ আৰু দাইলৰ মূল্য শৃংখলা আৰু কৃষি যান্ত্ৰিকীকৰণৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় হৈছে। দুয়োখন দেশে এই সহযোগিতাৰ প্ৰসাৰৰ ক্ষেত্ৰত বছৰি নিৰীক্ষণ আৰু পৰ্যালোচনাৰ বাবে সন্মতি প্ৰকাশ কৰাৰ লগতে ভাৰত-আৰ্জেণ্টিনা বৈজ্ঞানিক অংশীদাৰিত্বৰ দিশত থকা প্ৰতিশ্ৰুতিবদ্ধতা দোহাৰে।

০০০০০

ভাৰতীয় বিশেষ পৰিচয় প্ৰাধিকৰণ, ইউ আই ডি এ আইৰ ডাটাবেচৰ পৰা বৰ্তমানলৈকে আধাৰ কাৰ্ড থকা লোকসকলৰ কোনো ধৰণৰ তথ্যৰ হেৰফেৰ হোৱা নাই বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত বৈদ্যুতিন আৰু তথ্যপ্ৰযুক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে আধাৰ হৈছে বিশ্বৰ সৰ্ববৃহৎ বায়োমেট্ৰিক পৰিচয় পদ্ধতি আৰু দেশত সম্প্ৰতি প্ৰায় ১৩৪ কোটি আধাৰ কাৰ্ড থকা লোক আছে। আধাৰৰ জৰিয়তে ১৬ হাজাৰ কোটিৰো অধিক প্ৰমাণিকৰণ লেন-দেন সম্পূৰ্ণ কৰা হৈছে বুলিও শ্ৰীপ্ৰসাদে জানিবলৈ দিয়ে। তেওঁ কয় যে ইউ আই ডি এ আইয়ে নিজৰ তথ্যসমূহ সুৰক্ষিত কৰি ৰখাৰ বাবে কেইবাতৰপীয়া নিৰাপত্তা আন্তঃগাঁথনি গঢ়ি তুলিছে আৰু এই পদ্ধতিৰ সুৰক্ষাৰ বাবে নিৰন্তৰ গণনা কৰে।

০০০০০

দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ সৈতে সম্পৰ্কিত কোনো ধৰণৰ তথ্যপাতি প্ৰধানমন্ত্ৰীৰ সংগ্ৰাহালয় আৰু পুথিভঁৰালৰ পৰা হেৰুওৱা নাই বুলি কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱাটে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কংগ্ৰেছ সাংসদ জয়ৰাম ৰমেশক প্ৰত্যুত্তৰ দি শ্ৰীশেখাৱাটে কয় যে ইউ পি এ চৰকাৰৰ শাসন কালত ২০০৮ চনত নেহৰুৰ তথ্যপাতি উলিয়াই নিয়া হৈছিল। তেওঁ এই নথিপত্ৰ কোনো পৰিয়ালৰ ব্যক্তিগত দলিল নহয় বুলি উল্লেখ কৰি কয় যে এয়া হৈছে দেশৰ ঐতিহাসিক তথ্যৰ এটা অংশ। মন্ত্ৰীগৰাকীয়ে কয় যে জৱাহৰলাল নেহৰুৰ জীৱন আৰু সেই সময়ৰ বিষয়ে ভালদৰে বুজাৰ বাবে পণ্ডিত, গৱেষক, শিক্ষাৰ্থী তথা নাগৰিকসকলৰ এই মূল তথ্যপাতিৰ বিষয়ে জনাৰ অধিকাৰ আছে। জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে এই তথ্যপাতিসমূহ তেওঁৰ সৈতে থকাৰ কথা আৰু এই বিষয়ত আলোচনাৰ বাবে পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতিৰ বিষয়ে লিখিতভাৱে জনাইছে বুলি শ্ৰীশেখাৱাটে উল্লেখ কৰে। তেওঁ ছোনিয়া গান্ধীক নিজৰ প্ৰতিশ্ৰুতিৰ প্ৰতি সন্মান জনাই নেহৰুৰ তথ্যপাতিসমূহ সংগ্ৰাহালয়ক ওভতাই দিবলৈ আহ্বান জনায়।

০০০০০

পশ্চিম বংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীৰ পাছত ভোটাৰ তালিকাৰ পৰা ৫৮ লাখ লোকৰ নাম বাহিৰ হোৱাৰ বিষয়ত পশ্চিম বংগ বিজেপিৰ সভাপতি তথা শিক্ষা মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী সুকান্ত মজুমদাৰে কয় যে সংবাদ মাধ্যমত প্ৰকাশ পোৱা তথ্য অনুসৰি ৰাজ্যখনত ১ কোটিৰো অধিক সন্দেহযুক্ত ভোটদাতা আছে। তেওঁ লগতে কয় যে নিৰ্দিষ্ট সময়ত নাগৰিকত্ব সংশোধনী আইনৰ অধীনত আবেদন নকৰা কোনো লোকৰ নাম যদি এতিয়া ভোটাৰ তালিকাৰ পৰা কৰ্তন হয় তেনেহ'লে ইয়াৰ বাবে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে দায়িত্ব ল'ব লাগিব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোয়েলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ওমানৰ চুলতানৰ উপস্থিতিত কাইলৈ দেশখনৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰাৰ কথা ঘোষণা কৰে। আজি মাস্কাত ওমান-ভাৰত ব্যৱসায়িক আলোচনাত ভাষণ দি তেওঁ কয় যে চুক্তিখন স্বাক্ষৰ কৰাটো দুয়োখন দেশৰ উন্নয়নৰ বাবে এক নতুন অধ্যায়ৰূপে পৰিগণিত হ'ব। দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্যৰ প্ৰবাহ বৃদ্ধিৰ লক্ষ্যৰে এই মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰা হ'ব। এই চুক্তিয়ে বিভিন্ন খণ্ডত অপৰিসীম সুযোগ কঢ়িয়াই আনিব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ কয় যে পাৰস্পৰিক লাভৰ চাৰিটা প্ৰধান খণ্ড হ'ব শক্তিখণ্ডৰ উন্নয়ণ, আন্তঃগাঁথনি, খাদ্য সুৰক্ষা আৰু ষ্টাৰ্টআপ ইক' চিষ্টেম। ইয়াৰ পূৰ্বে ওমানৰ বাণিজ্য, উদ্যোগ আৰু বিনিয়োগ প্ৰসাৰ মন্ত্ৰী কাইছ আল ইউছেফে গোয়েলক আদৰণি জনাই কয় যে ভাৰত ওমানৰ তৃতীয় বৃহত্তম বাণিজ্যিক অংশীদাৰ। ওমানত ভাৰতীয় বিনিয়োগে এই কথা স্পষ্টভাৱে প্ৰমাণ কৰে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

০০০০০

নতুন দিল্লীত অহা বছৰ হ'বলগীয়া কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনে মানৱ মূলধন, সামাজিক সবলীকৰণ, সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে এক সুনিৰ্দিষ্ট ৰোডমেপ প্ৰস্তুত কৰাৰ এখন মঞ্চ প্ৰদান কৰিব।ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী জিতিন প্ৰসাদে কালি নিউয়ৰ্কত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ ২০২৬ শীৰ্ষ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি এইদৰে কয়। ভাষণৰ সময়ত মন্ত্ৰীগৰাকীয়ে সন্মিলনৰ তিনিটা সূত্ৰ দাঙি ধৰে। তেওঁ লগতে কয় যে এই সূত্ৰসমূহ মানৱ মূলধন, সামাজিক সবলীকৰণৰ বাবে অন্তৰ্ভুক্তি আদিকে ধৰি সাতটা বিষয়ভিত্তিক কৰ্মগোটৰ জৰিয়তে কাৰ্যকৰী কৰা হ'ব।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। সন্ধিয়া ৭ বজাত আৰম্ভ হ'বলগীয়া খেলখন ঘন কুঁৱলীৰ বাবে বিলম্ব হৈছে। চাৰে ৭ বজালৈকে পৰিস্থিতি পৰ্যবেক্ষণ কৰা হ'ব আৰু কুঁৱলীৰ ঘনত্বৰ প্ৰতি লক্ষ্য ৰাখি খেলখন অনুষ্ঠিত হ'ব নে নাই সেই সিদ্ধান্ত লোৱা হ'ব। ভাৰত সম্প্ৰতি পাঁচখনীয়া শৃংখলাটোত ২-১ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা ১৯ ডিচেম্বৰত আহমেদাবাদত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত